# মাণিক দাস আৰু অন্যান্য

# বনাম

# অসম ৰাজ্য

৩১মে', ২০০৭

[ন্যায়াধীশ ড. অৰিজিত পাছায়ৎ আৰু ন্যায়াধীশ ডি. কে. জৈন]

*দণ্ডবিধি, ১৮৬০:*

*ধাৰা ৩০২/ ৩৪- হত্যাকাণ্ড- joint liability(যৌথ দায়বদ্ধতা)- বিচাৰ আদালতে পাঁচজন অভিযুক্তক অভিযোগত দোষী সাব্যস্ত কৰে- উচ্চ ন্যায়ালয়ে দোষী সাব্যস্ত কৰে আৰু আজীৱন কাৰাদণ্ডৰে দণ্ডিত কৰে- উপস্থাপন কৰে, দায়বদ্ধতাৰ সাৰাংশ এটা সাধাৰণ অভিপ্ৰায়ৰ ব্যৱহাৰত বিচাৰি পাব লাগে যাৰ ফলত, অভিযুক্তজনক এনে এক অপৰাধমূলক কাৰ্য্য কৰিবলৈ বাধ্য কৰা হয়- ধাৰা ৩৪ প্ৰযোজ্য হ'ব যদিও, এজন অভিযুক্তই নিজে কোনো আঘাত কৰা নাই- তথ্য অনুসৰি, মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদনত পোৱা আঘাত প্ৰত্যক্ষদৰ্শীসকলে দিয়া সংস্কৰণৰ সৈতে মিল খায়- দুজন eye witness(প্ৰত্যক্ষদৰ্শী)য়ে চাৰিজন অভিযুক্তৰ নাম স্পষ্টভাৱে দিছিল- তেওঁলোকৰ ভিতৰত এজনে আকৌ বিশেষভাৱে পঞ্চম অভিযুক্তৰ নাম দিছিল- এইকথা ক'ব নোৱাৰি যে, বিচাৰপক্ষই নিজৰ গোচৰটো প্ৰতিষ্ঠা কৰাত ব্যৰ্থ হৈছে।*

আপীলকাৰীসকলে ধাৰা ৩০২/৩৪ দণ্ডবিধিৰ অধীনত দণ্ডনীয় অপৰাধৰ বাবে বিচাৰৰ সন্মুখীন হৈছিল। গোচৰটো আছিল যে, পাঁচজন অভিযুক্তই অভিযোগকাৰীৰ ভায়েকক আক্ৰমণ

কৰিছিল যাৰ ফলত তেওঁৰ মৃত্যু হৈছিল। বিচাৰ আদালতে অভিযুক্তজনক এই অভিযোগৰ বাবে দোষী সাব্যস্ত কৰিছিল আৰু তেওঁলোকৰ প্ৰত্যেককে আজীৱন কাৰাদণ্ডৰ শাস্তি দিছিল। উচ্চ ন্যায়ালয়ে অভিযুক্তৰ আবেদন নাকচ কৰি তাৎক্ষণিক আবেদন দাখিল কৰিছিল।

আপীলকাৰীসকলৰ হৈ দাবী কৰা হৈছিল যে, তাৎক্ষণিক গোচৰত ধাৰা ৩৪ দণ্ডবিধিৰ কোনো আবেদন নাছিল কিয়নো, ঘটনাৰ স্থানত তেওঁলোকৰ উপস্থিতি প্ৰমাণিত হোৱা নাছিল, আৰু যিকোনো পৰিস্থিতিত, যিসকল ব্যক্তিৰ নাম এফ. আই. আৰ.-ত উল্লেখ কৰা হোৱা নাছিল তেওঁলোকক দোষী সাব্যস্ত কৰা উচিত নাছিল।

আপীলবোৰ নাকচ কৰি আদালতে

উপস্থাপন কৰে- **১.১** আই. পি. চি.-ৰ ৩৪নং ধাৰাটো অপৰাধমূলক কাৰ্য কৰাৰ ক্ষেত্ৰত যৌথ দায়বদ্ধতাৰ নীতিৰ ওপৰত প্ৰণয়ন কৰা হৈছে। এই ধাৰাটো কেৱল rule of evidence (প্ৰমাণৰ নিয়ম) আৰু ই substantive office(মৌলিক ধাৰা) সৃষ্টি নকৰে। common intention (সাধাৰণ অভিপ্ৰায়)ৰ অভিযোগ অনাৰ বাবে, অপৰাধী পক্ষই প্ৰত্যক্ষ বা পৰিস্থিতিগত প্ৰমাণৰ দ্বাৰা প্ৰতিষ্ঠা কৰিব লাগিব যে অপৰাধটো কৰাৰ বাবে সকলো অভিযুক্ত ব্যক্তিৰ এক পৰিকল্পনা বা মনৰ মিল আছিল যাৰ বাবে তেওঁলোকৰ বিৰুদ্ধে ধাৰা ৩৪ৰ সহায়ত অভিযোগ উত্থাপন কৰা হৈছিল, সেয়া পূৰ্ব-নিৰ্ধাৰিত হওঁক বা মুহূৰ্ততে কৰা হওঁক; কিন্তু অপৰাধটো সংঘটিত কৰাৰ আগত হ'ব লাগিব। [দফা ৭] [৮৬৬- ই. এফ. জি. আই.]

*অশোক কুমাৰ বনাম পঞ্জাৱ ৰাজ্য,* এ. আই. আৰ. (১৯৭৭) এছ. চি. ১০৯-ৰ ওপৰত নিৰ্ভৰ কৰিছিল।

১.২ ধাৰা ৩৪-ৰ ব্যৱস্থাৰ অধীনত দায়বদ্ধতাৰ সাৰাংশ বিচাৰি পাব লাগিব অভিযুক্তক প্ৰৰোচিত কৰা এক সাধাৰণ অভিপ্ৰায়ৰ অস্তিত্বত, যাৰ ফলত এনে অভিপ্ৰায়ৰ অগ্ৰগতিৰ বাবে অপৰাধমূলক কাৰ্য্য কৰা হয়। ধাৰা ৩৪-ত উল্লেখ কৰা নীতিৰ প্ৰয়োগৰ ফলস্বৰূপে, যেতিয়া এজন অভিযুক্তক ধাৰা ৩৪-ৰ সৈতে ধাৰা ৩০২-ৰ অধীনত দোষী সাব্যস্ত কৰা হয়, আইন অনুসৰি ইয়াৰ অৰ্থ হৈছে যে, অভিযুক্তজন মৃতকৰ মৃত্যুৰ কাৰণ হোৱা কাৰ্য্যৰ বাবে একেধৰণে দায়বদ্ধ, যেনে কেৱল তেওঁহে কৰিছিল। এই ব্যৱস্থাটোৰ উদ্দেশ্য হৈছে এনে এটা গোচৰ পূৰণ কৰা য'ত এটা দলৰ ব্যক্তিগত সদস্যৰ কাৰ্য্যৰ মাজত পাৰ্থক্য কৰাটো কঠিন হ'ব পাৰে যিয়ে সাধাৰণ অভিপ্ৰায়ৰ অগ্ৰসৰত কাম কৰে বা প্ৰত্যেকেই সঠিকভাৱে অংশগ্ৰহন কৰিছিল বুলি প্ৰমাণ কৰিব পাৰে। অভিযুক্তৰ দ্বাৰা কোনো আঘাত কৰা নহ'লেও ধাৰা ৩৪ প্ৰযোজ্য হয়। ধাৰা ৩৪ প্ৰয়োগ কৰাৰ বাবে মৃতকৰ ফালৰ পৰা কোনো স্পষ্ট কাৰ্য্য দেখুওৱাৰ প্ৰয়োজন নাই। [দফা ১১] [৮৬৭- দি, ই., এফ., জি.]

*চি.এইচ. পুল্লা ৰেড্ডী আৰু অন্যান্য বনাম অন্ধ্ৰ প্ৰদেশ ৰাজ্য,* এ. আই. আৰ. (১৯৯৩) এছ. চি. ১৮৯৯-ৰ ওপৰত নিৰ্ভৰ কৰিছিল।

১.৩. তাৎক্ষণিক গোচৰটোত মনকৰিবলগীয়া যে, মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদনত পোৱা আঘাতসমূহ সাক্ষীসকলে দিয়া সংস্কৰণৰ সৈতে মিল খায়। দুয়োজন PWs(গোচৰীয়াৰ সাক্ষী) ৩ আৰু ৭-য়ে চাৰিজন ব্যক্তিৰ নাম স্পষ্টভাৱে উল্লেখ কৰিছে। ইয়াৰ উপৰিও গোচৰীয়াৰ সাক্ষী নং ৩-য়ে পঞ্চমজন অভিযুক্তৰ নাম উল্লেখ কৰিছে। যদিও গোচৰীয়াৰ সাক্ষী নং ৭-এ পঞ্চম অভিযুক্তজনৰ নাম বিশেষভাৱে উল্লেখ কৰা নাই, কিন্তু তেওঁ আন এজন অভিযুক্তৰ উপস্থিতিৰ বিষয়ে উল্লেখ কৰিছে। সেই পটভূমিত এইকথা ক’ব নোৱাৰি যে, অপৰাধী পক্ষই নিজৰ অভিযোগ

প্ৰমাণ কৰাত ব্যৰ্থ হৈছে। বিচাৰ আদালত আৰু উচ্চ ন্যায়ালয়ে প্ৰমাণবোৰ অতি বিশদভাৱে বিশ্লেষণ কৰিছে আৰু স্পষ্ট লগতে দৃঢ় বুলি পাইছে। [দফা ১১ আৰু ১২] [৮৬৭- জি; ৮৬৮- এ]

দেৱানী আপীলীয় ক্ষেত্ৰাধিকাৰ- ২০০৬চনৰ দেৱানী আপীল নং ১২৫৪।

গুৱাহাটীস্থিত অসমৰ উচ্চ ন্যায়ালয়ৰ ফৌজদাৰী আপীল নং ২৪৬/ ২০০৪-ৰ ২৬-০৪-২০০৬ তাৰিখৰ চূড়ান্ত বিচাৰ আৰু আদেশৰ পৰা।

আপীলকাৰীৰ পক্ষত ৰাজ শেখৰ ৰাও আৰু চেন্থিল জগদীশন।

উত্তৰদাতাৰ পক্ষত অভিজিৎ ৰয় (কৰ্পোৰেট আইন গোটৰ বাবে)।

আদালতৰ ৰায় প্ৰদান কৰিছে-

**ন্যায়াধীশ ড° আৰিজিৎ পাশায়াত,** ১. এই আপীলৰ প্ৰত্যাহ্বান হৈছে আপীলকাৰীসকলে দাখিল কৰা আবেদন নাকচ কৰি গৌহাটী উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠৰ ৰায়। আবেদনকাৰীসকলক ভাৰতীয় দণ্ডবিধি, ১৮৬০ (সংক্ষেপে 'আই. পি. চি.') ৰ ধাৰা ৩৪ৰ সৈতে ধাৰা ৩০২ৰ অধীনত শাস্তিযোগ্য অপৰাধৰ বাবে দোষী সাব্যস্ত কৰা আৰু প্ৰত্যেককে আজীৱন কাৰাদণ্ড আৰু ২০০০/- টকাৰ জৰিমনাৰ শাস্তি প্ৰদান কৰা বিদ্বান অতিৰিক্ত অধিৱেশন ন্যায়াধীশৰ দ্বাৰা গৃহীত ৩১-০৮-২০০৪ তাৰিখৰ ৰায়ৰ বিৰুদ্ধে আপীল আবেদনখন নিৰ্দেশিত কৰা হৈছিল।

২. সংক্ষেপে পটভূমিৰ তথ্যসমূহ তলত দিয়া ধৰণৰঃ

২০০০চনৰ ২৭ডিচেম্বৰ পুৱা প্ৰায় ১বজাত অনিল দাসৰ ভাতৃ প্ৰবিন দাসে (ইয়াৰ পিছত 'মৃত' বুলি উল্লেখ কৰা হৈছে) টিয়ক আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ ওচৰত অভিযোগ কৰিছিল

যে, সেই দিনটোতে প্ৰায় ৬বজাত আন দুজনৰ সৈতে শ্ৰী মাণিক দাস, পিতা- স্বৰ্গীয় দুতী দাস, শ্ৰী বিমল দাস, পিতা- শ্ৰী মাণিক দাস আৰু শ্ৰী দীপক দাস, পিতা- শ্ৰী মাণিক দাসে তেওঁৰ ভাতৃ শ্ৰী অনিল দাসক যাঠিৰে আক্ৰমণ কৰিছিল, যাৰ ফলত তেওঁ পথাৰখন হাল বোৱাৰ সময়ত গুৰুতৰভাৱে আহত হৈছিল। তেওঁ লগতে কৈছিল যে, মৃত-অনিল দাসক চিকিৎসাৰ বাবে কাকাজন চিকিৎসালয়লৈ লৈ যোৱা হৈছিল। কিন্তু, তাত তেওঁৰ মৃত্যু হৈছিল। সেই অনুসৰি, ২৭-১২-২০০০তাৰিখৰ গোচৰ নং ৩৫/২০০০-ত আই. পি. চি.-ৰ ১৪৭ আৰু ৩০২ধাৰাৰ অধীনত পঞ্জীয়ন কৰা হৈছিল।

৩. ২০০১চনৰ ৪জানুৱাৰীত, অভিযুক্ত ঘটনাৰ প্ৰায় এসপ্তাহৰ পিছত, অভিযুক্ত প্ৰত্যক্ষদৰ্শী ফুকান দাস (পি.ডব্লিউ. ১) আৰু কুনমনি বৰা (পি.ডব্লিউ.৭)ৰ বিবৃতি যোৰহাটৰ ন্যায়িক মেজিষ্ট্ৰেট, প্ৰথম শ্ৰেণীৰ দ্বাৰা ফৌজদাৰী প্ৰক্ৰিয়া বিধি, ১৯৭৩ৰ (চি.আৰ.পি.চি.) ধাৰা ১৬৪ৰ অধীনত লিপিবদ্ধ কৰা হৈছিল। ২০০২চনৰ ১৩মে'ত আপীলকাৰীৰ বিৰুদ্ধে ভাৰতীয় দণ্ডবিধিৰ ১৪৭ আৰু ৩০২ধাৰাৰ অধীনত দণ্ডনীয় অপৰাধৰ সন্দৰ্ভত ২০০২চনৰ ৪৫নং চাৰ্জশ্বীট দাখিল কৰা হৈছিল। ২০০৩ৰ ২৭অক্টোবৰৰ নিৰ্দেশ অনুসৰি যোৰহাটৰ বিদ্বান অতিৰিক্ত সত্ৰ ন্যায়াধীশে(জে.)-এ আই. পি. চি.-ৰ ১৪৭নং ধাৰাৰ সৈতে ৩০২ধাৰাৰ অধীনত অপৰাধৰ বিচাৰৰ বাবে যোৰহাটৰ সত্ৰ ন্যায়াধীশৰ আদালতত গোচৰটো দাখিল কৰিছিল। ২০০৩চনৰ ১৩নৱেম্বৰত যোৰহাটৰ বিদ্বান অতিৰিক্ত সত্ৰ ন্যায়াধীশগৰাকীয়ে অভিযুক্তজনৰ বিৰুদ্ধে আই. পি. চি. ৩৪ধাৰাৰ সৈতে ধাৰা ৩০২ৰ অধীনত অভিযোগ গঠন কৰিছিল।

৪. ওপৰত উল্লেখ কৰা অনুসৰি বিচাৰ আদালতে অভিযুক্তজনক দোষী সাব্যস্ত কৰিছিল, যিটো উচ্চ ন্যায়ালয়ে নিশ্চিত কৰিছিল।

৫. আপীলকাৰীসকলৰ বাবে বিদ্বান পৰামৰ্শদাতাৰ প্ৰাথমিক স্থিতি হৈছে যে, গোচৰটোৰ তথ্যৰ ক্ষেত্ৰত ধাৰা ৩৪-ৰ কোনো প্ৰয়োগ নাই। উক্ত ব্যৱস্থাটোৰ আবেদন দাখিল কৰিবলৈ ঘটনা সংঘটিত হোৱা স্থানত অভিযুক্তৰ ব্যক্তিগত উপস্থিতি স্থাপন কৰিব লাগিব। তেওঁৰ মতে এয়া কৰা হোৱা নাই। উল্লেখ কৰা হৈছে যে পি.ডব্লিউ. ৩ আৰু ৭ জন প্ৰত্যক্ষদৰ্শী আৰু পি.ডব্লিউ.(গোচৰীয়াৰ সাক্ষী) বুলি কোৱা হৈছে। ৫ আৰু ৬ জন সাক্ষী বুলি কোৱা হৈছে যিয়ে অভিযুক্ত ব্যক্তিসকলক ঘটনাৰ স্থানৰ পৰা পলাই যোৱা দেখিছিল। তেওঁলোকৰ উপস্থিতি স্থাপন কৰিব লাগিছিল। এইটো কৰা হোৱা নাই। ইয়াত উল্লেখ কৰা হৈছে যে তথাকথিত প্ৰত্যক্ষদৰ্শীসকলে অভিযুক্ত ব্যক্তিসকলৰ দ্বাৰা কৰা আক্ৰমণৰ বিষয়ে উল্লেখ কৰিছে। তেওঁলোকৰ বিবৃতি ফৌজদাৰী প্ৰক্ৰিয়া বিধিৰ ১৬৪ধাৰাৰ অধীনত লিপিবদ্ধ কৰা হৈছিল। তেওঁলোক মৃতকৰ সৈতে সম্পৰ্কিত আৰু সেয়েহে, তেওঁলোকৰ প্ৰমাণ বাতিল কৰিব লাগিব। যদিও পি.ডব্লিউ. ৩য়ে সকলো অভিযুক্ত ব্যক্তিৰ নাম উল্লেখ কৰিছিল, পি.ডব্লিউ. ১য়ে তেওঁলোকৰ ভিতৰত মাত্ৰ চাৰিজনৰ নামহে উল্লেখ কৰিছিল। মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদনত মৃত ব্যক্তিজনৰ শৰীৰৰ বিভিন্ন অংশত আঘাত পোৱা দেখা গৈছে। এইদৰে দাখিল কৰা হয়ঃ ধাৰা ৩৪-ৰ কোনো অৱকাশ নাই আৰু যিকোনো পৰিস্থিতিত যিসকল ব্যক্তিৰ নাম এফ.আই.আৰ.ত উল্লেখ কৰা হোৱা নাছিল তেওঁলোকক দোষী সাব্যস্ত কৰা উচিত নাছিল।

৬. ইয়াৰ প্ৰত্যুত্তৰত ৰাজ্য চৰকাৰৰ বিদ্বান পৰামৰ্শদাতাই দাখিল কৰিছিল যে চাক্ষুষ সাক্ষীসকলৰ সাক্ষ্য স্পষ্ট আৰু দৃঢ়। কেৱল মৃতকৰ সৈতে সম্পৰ্কিত তেওঁলোক মৃত ব্যক্তিৰ প্ৰকৃত সম্পত্তি হোৱাৰ বাবেই তেওঁলোকৰ প্ৰমাণ বিসৰ্জন কৰাৰ ভিত্তি হ'ব নোৱাৰে। তদন্তৰ সময়ত

দিয়া বিবৃতি আৰু আদালতত দিয়া প্ৰমাণৰ মাজত কোনো পাৰ্থক্য নাই। পি.ডব্লিউ. ৩ আৰু ৭ গৰাকী প্ৰত্যক্ষদৰ্শী যিয়ে অভিযুক্ত ব্যক্তিসকলৰ প্ৰত্যেকৰে ভূমিকা বিশদভাৱে বৰ্ণনা কৰিছে।

৭. এটা অপৰাধমূলক কাৰ্য কৰাৰ ক্ষেত্ৰত যৌথ দায়বদ্ধতাৰ নীতিৰ ওপৰত ধাৰা ৩৪ প্ৰণয়ন কৰা হৈছে। এই ধাৰাটো কেৱল প্ৰমাণৰ নিয়ম আৰু ই এক গুৰুত্বপূৰ্ণ অপৰাধ সৃষ্টি নকৰে। এই খণ্ডটোৰ বিশেষত্ব হ'ল কাৰ্য্যত অংশগ্ৰহণৰ উপাদান। কেইবাজনো ব্যক্তিয়ে সংঘটিত কৰা অপৰাধমূলক কাৰ্যৰ সময়ত আন এজনে কৰা অপৰাধৰ বাবে এজন ব্যক্তিৰ দায়বদ্ধতা ধাৰা ৩৪ৰ অধীনত উদ্ভৱ হয় যদি, এনে অপৰাধমূলক কাৰ্য্য, অপৰাধত যোগদান কৰা ব্যক্তিসকলৰ এক উমৈহতীয়া অভিপ্ৰায়ৰ অগ্ৰসৰত কৰা হয়। সাধাৰণ অভিপ্ৰায়ৰ প্ৰত্যক্ষ প্ৰমাণ খুব কমেইহে উপলব্ধ হয় আৰু সেয়েহে, এনে অভিপ্ৰায় কেৱল গোচৰটোৰ প্ৰমাণিত তথ্য আৰু প্ৰমাণিত পৰিস্থিতিৰ পৰা প্ৰকাশ পোৱা পৰিস্থিতিৰ পৰাই অনুমান কৰিব পাৰি। সাধাৰণ অভিপ্ৰায়ৰ অভিযোগ ঘৰলৈ অনাৰ বাবে, অভিযোগকাৰী পক্ষই প্ৰত্যক্ষ বা পৰিস্থিতিগত প্ৰমাণৰ দ্বাৰা প্ৰতিষ্ঠা কৰিব লাগিব যে, অপৰাধটো কৰাৰ বাবে সকলো অভিযুক্ত ব্যক্তিৰ পৰিকল্পনা বা মনৰ মিলন হৈছিল যাৰ বাবে তেওঁলোকৰ বিৰুদ্ধে ধাৰা ৩৪ৰ সহায়ত অভিযোগ উত্থাপন কৰা হৈছিল, সেয়া পূৰ্ব-নিৰ্ধাৰিত হওঁক বা মুহূৰ্ততে হওঁক; কিন্তু ই অপৰাধটো সংঘটিত কৰাৰ আগত হ'ব লাগিব। ধাৰাটোৰ প্ৰকৃত বিষয়বস্তু হৈছে যে, যদি দুজন বা ততোধিক ব্যক্তিয়ে ইচ্ছাকৃতভাৱে যুটীয়াভাৱে এটা কাৰ্য্য কৰে, তেন্তে আইনৰ স্থিতি ঠিক একেই যেন তেওঁলোকৰ প্ৰত্যেকেই ব্যক্তিগতভাৱে, নিজে নিজে কৰিছে। *অশোক কুমাৰ বনাম পঞ্জাৱ ৰাজ্য,* এ. আই. আৰ. (১৯৭৭) এছ. চি. আই. ১০৯-ত পৰ্যবেক্ষণ কৰা অনুসৰি, অপৰাধত অংশগ্ৰহণকাৰীসকলৰ মাজত এক উমৈহতীয়া অভিপ্ৰায়ৰ অস্তিত্ব এই ধাৰাটোৰ প্ৰয়োগৰ বাবে অত্যাৱশ্যকীয় উপাদান। যৌথভাৱে অপৰাধ

সংঘটিত কৰাৰ অভিযোগত অভিযুক্ত কেইবাজনো ব্যক্তিৰ কাৰ্য্য একে বা একেধৰণৰ হোৱাটো প্ৰয়োজনীয় নহয়। কাৰ্য্যবোৰ চৰিত্ৰত বেলেগ বেলেগ হ'ব পাৰে, কিন্তু ব্যৱস্থাটোক আকৰ্ষিত কৰিবলৈ একেটা সাধাৰণ অভিপ্ৰায়ৰ দ্বাৰা সক্ৰিয় কৰা হ'ব লাগিব।

৮. প্ৰথমতে থকাৰ দৰে ৩৪নং ধাৰাটো তলত উল্লেখ কৰা ধৰণে আছিলঃ "যেতিয়া কোনো অপৰাধমূলক কাৰ্য্য কেইবাজনো ব্যক্তিয়ে কৰে, তেতিয়া এনে ব্যক্তিসকলৰ প্ৰত্যেকেই সেই কাৰ্য্যৰ বাবে একেধৰণে দায়বদ্ধ হয় যেন, কাৰ্য্যটো কেৱল তেওঁৰ দ্বাৰাহে কৰা হৈছিল।"

৯. ১৮৭০চনত ৩৪নং ধাৰাৰ উদ্দেশ্য স্পষ্ট কৰিবলৈ "ব্যক্তি" শব্দটোৰ পিছত আৰু "প্ৰত্যেক" শব্দটোৰ আগত "সকলোৰে সাধাৰণ অভিপ্ৰায়ৰ অগ্ৰগতিৰ বাবে" শব্দবোৰ সন্নিৱিষ্ট কৰি ইয়াক সংশোধন কৰা হৈছিল। এই স্থিতিটো *মেহবুব শ্বাহ বনাম সম্ৰাট*, এ. আই. আৰ. (১৯৪৫) প্ৰিভি কাউন্সিল ১১৮-ত উল্লেখ কৰা হৈছিল।

১০. এই অংশটোৱে "সকলোৰে উমৈহতীয়া অভিপ্ৰায়"ৰ ওপৰত গুৰুত্ব দিয়া নাই, আৰু "আৰু সকলোৰে উমৈহতীয়া অভিপ্ৰায়" বুলিও কোৱা নাই। ধাৰা ৩৪ৰ ব্যৱস্থাৰ অধীনত, দায়বদ্ধতাৰ সাৰাংশ বিচাৰি পাব লাগিব অভিযুক্তক সক্ৰিয় কৰা এক সাধাৰণ অভিপ্ৰায়ৰ অস্তিত্বত, যাৰ ফলত এনে অভিপ্ৰায়ৰ অগ্ৰগতিৰ বাবে অপৰাধমূলক কাৰ্য্য কৰা হয়। ধাৰা ৩৪-ত উল্লেখ কৰা নীতিৰ প্ৰয়োগৰ ফলস্বৰূপে, যেতিয়া এজন অভিযুক্তক ৩৪ ধাৰাৰ সৈতে পঢ়া ধাৰা ৩০২-ৰ অধীনত দোষী সাব্যস্ত কৰা হয়, আইন অনুসৰি ইয়াৰ অৰ্থ হ'ল যে, অভিযুক্তজন মৃতকৰ মৃত্যুৰ কাৰণ হোৱা কাৰ্য্যৰ বাবে একেধৰণে দায়বদ্ধ যেনেকৈ, কেৱল তেওঁহে কৰিছিল। এই ব্যৱস্থাটোৰ উদ্দেশ্য হৈছে এনে এটা গোচৰ পূৰণ কৰা য'ত সকলোৰে উমৈহতীয়া অভিপ্ৰায়ৰ অগ্ৰগতিৰ বাবে কাম কৰা এটা দলৰ ব্যক্তিগত সদস্যৰ কাৰ্য্যৰ মাজত পাৰ্থক্য কৰাটো কঠিন হ'ব পাৰে বা

তেওঁলোকৰ প্ৰত্যেকেই ঠিক কি অংশ লৈছিল সেয়া প্ৰমাণ কৰাটো কঠিন হ'ব পাৰে। যেনেকৈ *চি.এইচ. পুল্লা ৰেড্ডী আৰু অন্যান্য বনাম অন্ধ্ৰ প্ৰদেশ ৰাজ্য,* এ. আই. আৰ. (১৯৯৩) এছ. চি. ১৮৯৯-ত ধাৰা ৩৪ প্ৰযোজ্য যদিও নিৰ্দিষ্ট অভিযুক্তজনে নিজে কোনো আঘাত কৰা নাই। ধাৰা ৩৪ প্ৰয়োগ কৰাৰ বাবে অভিযুক্তৰ ফালৰ পৰা কোনো স্পষ্ট কাৰ্য্য দেখুওৱাৰ প্ৰয়োজন নাই।

**১১.** উল্লেখ্য যে মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদনত পোৱা আঘাতসমূহ, প্ৰত্যক্ষদৰ্শী সাক্ষীসকলে দিয়া সংস্কৰণৰ সৈতে মিল খায়। দুয়োজন গোচৰীয়াৰ সাক্ষী ৩ আৰু ৭-য়ে চাৰিজন ব্যক্তিৰ নাম স্পষ্টভাৱে উল্লেখ কৰিছে। ইয়াৰ উপৰিও গোচৰীয়াৰ সাক্ষী ৩-য়ে পঞ্চমজন অভিযুক্তৰ নাম উল্লেখ কৰিছে। যদিও গোচৰীয়াৰ সাক্ষী ৭-য়ে পঞ্চমজন অভিযুক্তৰ নাম বিশেষভাৱে উল্লেখ কৰা নাই, কিন্তু তেওঁ আন এজন অভিযুক্তৰ উপস্থিতিৰ বিষয়ে উল্লেখ কৰিছে।

**১২.** সেই পটভূমিত এইটো ক'ব নোৱাৰি যে, অভিযোগকাৰীয়ে নিজৰ অভিযোগ প্ৰমাণ কৰাত ব্যৰ্থ হৈছে। বিচাৰ আদালত আৰু উচ্চ ন্যায়ালয় দুয়োটাই প্ৰমাণবোৰ অতি বিশদভাৱে বিশ্লেষণ কৰিছে আৰু যি স্পষ্ট আৰু দৃঢ় বুলি পাইছে। সেয়েহে এই আবেদনত কোনো গুৰুত্ব নাই যিটো সেই অনুসৰি নাকচ কৰা হয়।

এ. কে. টি.

আপীল নাকচ কৰা হৈছে।

---

অনুবাদ: ড. অৰ্চ্চনা দেৱী, কনিষ্ঠবৰ্গ অনুবাদক

অনুবাদ শাখা, গৌহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation.

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বুলি বিবেচিত হ’ব।”